# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-08-2026
**Time :** 1910   Hrs

## *Assamese Evening Bulletin*
## HEADLINES

১। ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ সময়ছোৱাত জনসাধাৰণকেন্দ্ৰিক জলবায়ু পদক্ষেপৰ জৰিয়তে বহনক্ষম উন্নয়নৰ দিশত ভাৰত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত চেন্নাইৰ মহাবল্লিপুৰমত  ৩১ সংখ্যক দক্ষিণ মাণ্ডলিক পৰিষদৰ বৈঠকৰ সামৰণি পৰিছে।

৩। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে উন্নয়নমুখী কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ বাবে উত্তৰ-পূৰ্বাঞ্চলৰ যথেষ্ট উন্নতি হৈছে বুলি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে।

৪। নীট প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে হোৱা প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীৰ বিৰুদ্ধে হিংসাত্মক ঘটনাৰ তদন্ত কৰিবলৈ উচ্চতম ন্যায়ালয়ে এখন তদন্ত সমিটি গঠন কৰিছে।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি দ্বিতীয়খন ছেমি ফাইনেলত নৰ্থ ইষ্ট ইউনাইটেড এফ চি, মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ সময়ছোৱাত জনসাধাৰণকেন্দ্ৰিক জলবায়ু পদক্ষেপৰ জৰিয়তে বহনক্ষম উন্নয়নৰ দিশত অগ্ৰসৰ হৈছে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱৰ এটা প্ৰবন্ধ প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত অগ্ৰগতিয়ে নিৰ্গমনৰ তীব্ৰতা হ্ৰাস কৰাৰ লগতে অজীৱাশ্ম শক্তি সম্প্ৰসাৰণৰ ক্ষেত্ৰত ভাৰতৰ সেউজ দৃষ্টিভংগী প্ৰতিফলিত কৰে।

সামাজিক মাধ্যমযোগে মন্ত্ৰী শ্ৰীযাদৱে নিজৰ প্ৰবন্ধটো প্ৰকাশ কৰি কয়, যে ভাৰতে মিছন লাইফৰ নীতিৰ ভিত্তিত বহনক্ষম জীৱনশৈলীৰ প্ৰসাৰৰ লগতে বনানিকৰণ, বনজুই ব্যৱস্থাপনা, দুৰ্যোগৰ সন্মুখীন হোৱাৰ সামৰ্থ বৃদ্ধি আৰু পৰম্পৰাগত জ্ঞান আধাৰিত জলবায়ু অনুকুল ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰি আহিছে। ভাৰতে ব্ৰীকছ্‌ ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতাৰ দায়িত্বত থকাৰ সময়ছোৱাত পৰিৱেশ আৰু আই ধৰিত্ৰীক কেন্দ্ৰবিন্দু হিচাপে লৈ সমূহীয়া বিকাশ, শক্তিশালী উন্নয়ন, উদ্ভাৱন আৰু জ্ঞানৰ আদান-প্ৰদান সুনিশ্চিত কৰিব পৰা ভৱিষ্যতৰ হকে কাম কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত চেন্নাইৰ সমীপৰ মহাবল্লিপুৰমত  অনুষ্ঠিত হোৱা ৩১ সংখ্যক দক্ষিণ মাণ্ডলিক পৰিষদৰ বৈঠকৰ সামৰণি পৰিছে। এই বৈঠকতে অঞ্চলটোৰ মুখ্যমন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে উন্নয়নৰ ক্ষেত্ৰত সন্মিলিত প্ৰচেষ্টা তথা অঞ্চলটোৰ কল্যাণৰ বাবে থকা সকলোৰে দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে আলোচনা কৰাৰ সুবিধা লাভ কৰে। তামিলনাডুৰ মুখ্যমন্ত্ৰী যোচেফ বিজয়, কৰ্ণাটকৰ মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, কেৰেলাৰ মুখ্যমন্ত্ৰী সতীচন্দ, অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী চন্দ্ৰবাবু নাইডু আৰু তেলেংগানাৰ উপ-মুখ্যমন্ত্ৰী তথা পুডুচেৰীৰ উপ-ৰাজ্যপাল আৰু আন্দামান নিকোবৰ আৰু লাক্ষাদ্বীপৰ মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰী নেতাসকলে বৈঠকত দক্ষিণমাণ্ডলিক অঞ্চলটোৰ আন্তঃগাঁথনি, স্বাস্থ্যখণ্ড, পৰিৱেশ সুৰক্ষা আৰু নিৰাপত্তাৰ বিষয়ত পৰ্যালোচনা কৰে। বৈঠকৰ অন্তত নেতাসকলে নিজৰ সামাজিক মাধ্যমযোগে বৈঠকখন সফল হোৱা বুলি প্ৰকাশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে উন্নয়নমুখী কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিগত ১২ বছৰত উত্তৰ-পূৰ্বাঞ্চলৰ যথেষ্ট উন্নতি হৈছে বুলি বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে প্ৰকাশ কৰিছে। আজি নাগালেণ্ডৰ উপ-মুখ্যমন্ত্ৰী য়াংথুংগ' পেট্টনে ৰাজ্যখনত কেন্দ্ৰীয় চৰকাৰৰ কিছু প্ৰকল্পৰ বিষয়ে আলোচনা কৰিবলৈ মন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনোৱাৰ সময়ত শ্ৰী সিঙে এই মন্তব্য কৰিছে। অনুষ্ঠানত ৱ'খা জিলাৰ কিছু নাগৰিকো উপস্থিত আছিল। এই অনুষ্ঠানতে মন্ত্ৰী ড০ সিঙে কয়, যে উত্তৰ-পূৰ্বাঞ্চলৰ উন্নয়নৰ সৈতে সমগ্ৰ দেশৰ উন্নয়নৰ কথা জড়িত হৈ আছে। ভাৰতৰ মূল ভূখণ্ডৰ পৰা দূৰত্ব, অসংখ্য ভৌগোলিক প্ৰত্যাহ্বানৰ পিছতো বিগত ১২ বছৰত সমগ্ৰ অঞ্চলটোৰ যথেষ্ট উন্নতি হৈছে। বাট-পথ, নদী পথ, ৰে'ল পথ, বিমান বন্দৰৰ পৰা ডিজিটেল যোগাযোগ ব্যৱস্থালৈকে উত্তৰ-পূৰ্বাঞ্চলে চমকপ্ৰদ উন্নয়ন প্ৰত্যক্ষ কৰিছে আৰু এই অঞ্চলটোক দেশৰ অন্য অংশৰ সৈতে শক্তিশালীভাৱে সংযোগ কৰিছে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কংগ্ৰেছৰ কাৰ্যকৰী কমিতিয়ে বন্দে মাতৰমৰ সম্পূৰ্ণ পৰিৱেশনৰ পৰিৱৰ্তে মাত্ৰ দুটা স্তৱক গোৱাৰ সিদ্ধান্তক সমালোচনা কৰিছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী শ্বাহে কয়, যে এই সিদ্ধান্তৰ জৰিয়তে দলটোৱে সংসদে প্ৰণয়ন কৰা আইনখনৰ মুকলিভাৱে অসন্মান কৰাৰ লগতে ই ৰাষ্ট্ৰ বিৰোধী। ১৯৩৭ চনত কংগ্ৰেছে বন্দে মাতৰম দুটা ভাগত বিভক্ত কৰিছিল বুলি মন্ত্ৰীগৰাকীয়ে দাবী কৰে। তেওঁ কয়, যে বন্দে মাতৰমৰ ১৫০ বছৰীয়া জয়ন্তীত কেন্দ্ৰীয় চৰকাৰে এই ঐতিহাসিক ভুল শুধৰণি কৰি সম্পূৰ্ণ গীতটোক আইনী স্বীকৃতি প্ৰদান কৰে। ৰাহুল গান্ধীৰ নেতৃত্বত কংগ্ৰেছৰ পুনৰবাৰ ভোট বেংক ৰাজনীতিৰ বাবে পুনৰ এই ভুল পথ অনুসৰণ কৰিছে বুলি শ্ৰী শ্বাহে উল্লেখ কৰে।

(বাইট)

০০০০০

নীট প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে নতুন দিল্লীত হোৱা প্ৰতিবাদী কাৰ্যসূচীত আৰক্ষীৰ অত্যাধিক বল প্ৰয়োগ কৰাৰ অভিযোগ আৰু আৰক্ষীৰ বিৰুদ্ধে হিংসাত্মক ঘটনাৰ তদন্ত

কৰিবলৈ উচ্চতম ন্যায়ালয়ে প্ৰাক্তন ন্যায়াধীশ আৰ সুভাষ ৰেডডীৰ নেতৃত্বত পাঁচজনীয়া উচ্চ ক্ষমতাসম্পন্ন তদন্ত সমিতি গঠন কৰিছে।

মুখ্য ন্যায়াধীশ সূৰ্য্য কান্ত, ন্যায়াধীশ জয়মাল্য বাগচী আৰু ভি মোহনাৰ এখন বিচাৰপীঠে পিৰকাশ কৰা অনুসৰি সমিতিখনত পঞ্জাৱ আৰু হাৰিয়ানা উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰবিশংকৰ ঝা, দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ শ্বালিন্দৰ কৌৰ, চি বি আইৰ প্ৰাক্তন সঞ্চালক ঋষি কুমাৰ শুক্লা আৰু মেঘালয়ৰ অৱসৰপ্ৰাপ্ত ডিজিপি এল আৰ বিষ্ণোইও আছে। উচ্চতম ন্যায়ালয়ে সমিতিখনক বিষয়সমূহৰ নিৰন্তৰ আৰু সাময়িক মূল্যায়ন কৰিবলৈ আৰু ইয়াৰ অন্তৰ্বৰ্তীকালীন ফলাফলসমূহ সময়ে সময়ে দাখিল কৰিবলৈ কয়। হিংসা, মহিলা প্ৰতিবাদকাৰীক হাৰাশাস্তি আৰু নিৰ্যাতনৰ ঘটনাৰ সৈতে সম্পৰ্কিত বিষয়সমূহ অগ্ৰাধিকাৰৰ ভিত্তিত সমাধান কৰিবলৈ উচ্চতম ন্যায়ালয়ে পৰামৰ্শ দিছে।

০০০০০

ব্ৰীকছৰ যোগাযোগ মন্ত্ৰীসকলৰ দ্বাদশ সংখ্যক বৈঠক কাইলৈ পুনেত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সভাপতিত্বত এই বৈঠকখন অনুষ্ঠিত হ'ব। বৈঠকত ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ যোগাযোগ মন্ত্ৰী, জ্যেষ্ঠ প্ৰতিনিধিসকলক একত্ৰিত কৰি তথ্য আৰু যোগাযোগ প্ৰযুক্তি, ডিজিটেল আন্তঃগাঁথনি, উদ্ভাৱনৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰা হ'ব। বৈঠকৰ বিষয়বস্তু হৈছে- স্থিতিস্থাপক ভৱিষ্যতৰ বাবে উদ্ভাৱন, সহযোগিতা আৰু ৰূপান্তৰ। উদীয়মান প্ৰযুক্তি, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, চাইবাৰ সুৰক্ষা, সামৰ্থ্য বিকাশ আৰু সৰ্বাংগীন ডিজিটেল সংযোগৰ ওপৰত মতামত বিনিময়ৰ বাবে ব্ৰীকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ বাবে এই বৈঠকখনে এখন মঞ্চ প্ৰদান কৰিব। ব্ৰীকছ দেশ আৰু গোলকীয় দক্ষিণৰ দেশসমূহত ডিজিটেল ৰূপান্তৰক সমৰ্থন কৰিবলৈ ব্যৱহাৰিক সহযোগিতা শক্তিশালী কৰা আৰু উত্তম পদ্ধতিসমূহৰ অংশীদাৰিত্বৰ ওপৰতো এই বৈঠকত আলোচনা কৰা হয়।

০০০০০

নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে ভাৰতক সেউজ হাইড্ৰ'জেনৰ উৎপাদন, ব্যৱহাৰ আৰু ৰপ্তানিৰ বাবে সম্ভাব্য গোলকীয় কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাষ্ট্ৰীয় সেউজ হাইড্ৰ'জেন অভিযান ৰূপায়ণ কৰিছে। ২০২৩ বৰ্ষৰ জানুৱাৰী মাহত কেন্দ্ৰীয় মন্ত্ৰীসভাই এই অভিযানত অনুমোদন জনাইছিল আৰু ইয়াৰ প্ৰাৰম্ভিক ব্যয় আছিল ১৯ হাজাৰ ৭৪৪ কোটি টকা। উত্তৰ প্ৰদেশৰ গ্ৰেটাৰ নয়ডাত স্থাপন কৰা এন টি পি চি সেউজ হাইড্ৰ'জেন ষ্টেচন ভাৰতৰ পৰিবহন খণ্ডৰ বাবে স্বচ্ছ, কাৰ্যক্ষম আৰু বহনক্ষম ইন্ধন হিচাপে সেউজ হাইড্ৰ'জেনৰ সম্ভাৱনা প্ৰদৰ্শন কৰা এটা উল্লেখযোগ্য পদক্ষেপ।

০০০০০

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে গ্ৰাহক পৰিক্ৰমা বিভাগৰ সচিব নীধি খাৰেৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষা গৃহ কেডাৰৰ পুনৰ গঠন আৰ ইয়াৰ পৰীক্ষণৰ

সুবিধাসমূহ শক্তিশালী কৰি বিশ্ব মানদণ্ড পূৰণ কৰাটো নিশ্চিত কৰাৰ সন্দৰ্ভত আলোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী যোশীয়ে কয়, যে বৈঠকৰ সময়ত এনে শক্তিশালী, ভৱিষ্যতৰ বাবে সাজু পৰীক্ষণ পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ ফলত গ্ৰাহকৰ সুৰক্ষা শক্তিশালী কৰা আৰু সামগ্ৰীৰ গুণগত মান আৰু সুৰক্ষা নিশ্চিত কৰা সন্দৰ্ভত অধিক আস্থা প্ৰকাশ কৰিব পৰা যাব। পৰীক্ষণৰ বাবে আন্তঃগাঁথনি, কাৰিকৰী ক্ষমতা বৃদ্ধি আৰু ৰাষ্ট্ৰীয় পৰীক্ষা গৃহ প্ৰতিষ্ঠানিক পৰিকাঠামো শক্তিশালী কৰাৰ সন্দৰ্ভত এই বৈঠকখনত আলোকপাত কৰা হয়।

ooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাত আজি শ্বিলঙৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত দ্বিতীয়খন ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড এফ চি, ১৭ বাৰৰ চেম্পিয়ন মোহন বাগান ছুপাৰ জায়েণ্টৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ইপিনে ইষ্ট বেংগল এফ চিয়ে যোৱানিশা কলকাতাৰ ছল্টলেক ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত স্প'ৰ্টিং ক্লাব দিল্লীক টাই-ব্ৰেকাৰৰ সহায়ত ৫-৩ গ'লত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooo

জম্মু-কাশ্মীৰৰ কঠুৱা জিলাৰ সীমান্তত সন্দেহযুক্ত গতিবিধিৰ তথ্য লাভ কৰাৰ পাছত সুৰক্ষা বাহিনীয়ে আজিৰে পৰা অঞ্চলটোত অভিযান আৰম্ভ কৰিছে। আকাশবাণী জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি বিল্লাৱৰ বনাঞ্চলৰ উধমপুৰ-কঠুৱা সীমান্তত এই অভিযান আৰম্ভ কৰা হৈছে। বুধবাৰে নিশা অঞ্চলটোত অচিনাক্ত ব্যক্তি প্ৰত্যক্ষ কৰা বুলি স্থানীয় নাগৰিকে প্ৰকাশ কৰিছে। ঘটনা সংক্ৰান্তত কঠুৱা জিলাৰ আৰক্ষী অধীক্ষক প্ৰীতপাল সিঙে অঞ্চলটোত শান্তিপূৰ্ণ পৰিৱেশ বৰ্তাই ৰাখিবলৈ এই অভিযান চলি থাকিব বুলি মন্তব্য কৰিছে।

ooooo

**সমাপ্ত**